NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-09-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

000000000

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, কেন্দ্ৰীয় চৰকাৰে দেশৰ স্বাস্থ্য যতন সেৱা বৃদ্ধি কৰাৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২ অক্টোবৰত ঝাৰখণ্ডত ৮৩ হাজাৰ কোটি টকাৰো অধিক মূল্যৰ ভালেমান আঁচনিৰ আধাৰশিলা আৰু শুভ উদ্বোধন কৰিব।

৩। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মুম্বাই বন্দৰৰ পৰা **ক্ৰুজ ভাৰত মিছন** মুকলি কৰে।

৪। এয়াৰ মাৰ্শ্বেল অমৰপ্ৰীত সিঙে আজি নতুন দিল্লীত ভাৰতীয় বিমান বাহিনীৰ মুৰব্বী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছে।

***আৰু***

৫। ভাৰত আৰু বাংলাদেশৰ মাজত কানপুৰৰ গ্ৰীণপাৰ্কত চলি থকা দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন টেষ্ট খেলৰ চতুৰ্থ দিনা ভাৰতে ২৮৫ ৰানত নিজৰ প্ৰথম ইনিংছ ঘোষণা কৰিছে।

000000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, কেন্দ্ৰীয় চৰকাৰে দেশৰ স্বাস্থ্য যতন সেৱা বৃদ্ধি কৰাৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে। তেওঁ কয় যে, আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা ৰূপায়ণৰ ফলত স্বাস্থ্য যতনৰ সুবিধা গ্ৰহণ কৰা মহিলাৰ সংখ্যা দেশত বৃদ্ধি পাইছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি অটল বিহাৰী বাজপেয়ী চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান, ড০ ৰামমোহন লোহিয়া চিকিৎসালয়ত আয়োজন কৰা দশম সমাৱৰ্তনত অংশগ্ৰহণ কৰি শ্ৰীমতী মুৰ্মুৱে এইকথা প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে বিগত ১০ বছৰত এটা সুদৃঢ় স্বাস্থ্য যতন ব্যৱস্থা গঢ়ি তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা কাম-কাজসমূহৰ সন্দৰ্ভত অৱলোকন কৰি কয় যে, দেশত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা বৃদ্ধি হৈছে আৰু ইয়াৰ ফলত এম বি বি এছ আৰু চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰ আসনৰ সংখ্যা দুগুণলৈ বৃদ্ধি পাইছে। তেওঁ কয় যে, নতুনকৈ নিৰ্মাণ কৰা অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান

প্ৰতিষ্ঠান এইমছত এম বি বি এছৰ পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ ফলত অনাগত বৰ্ষসমূহত বৃহৎ পৰিসৰত মানসম্পন্ন স্বাস্থ্য সেৱাৰ সুবিধা বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰিছে। তেওঁ দেশত চিকিৎসকসকলক অপদস্থ কৰাৰ ঘটনা দুৰ্ভাগ্যজনক বুলি আখ্যা দি কয় যে, প্ৰতিগৰাকী লোকেই বুজি উঠা উচিত যে, চিকিৎসকসকলে এগৰাকী ৰোগীৰ জীৱন ৰক্ষাৰ বাবে আপ্ৰাণ চেষ্টা চলায়। ৰাষ্ট্ৰপতিগৰাকীয়ে জনসাধাৰণক চিকিৎসক তথা চিকিৎসালয়ৰ কৰ্মচাৰীসকলক অপদস্থ নকৰিবলৈ আহ্বান জনাই কয় যে, এনেধৰণৰ ঘটনা অতি নিন্দনীয়। আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জগত প্ৰসাদ নাড্ডায়ো সম্বোধন কৰে।

000000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক আজি ৰাষ্ট্ৰপতি ভৱনত ২০২৩ বৰ্ষৰ ভাৰতীয় আৰক্ষী সেৱাৰ এটা গোটে সাক্ষাৎ কৰে। বিষয়াসকলক সম্বোধন কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে, ভাৰতীয় বিভিন্ন সেৱাৰ ভিতৰত ভাৰতীয় আৰক্ষী সেৱাই এটা বিশেষ গুৰুত্ব বহন কৰে। শ্ৰীমতী মুৰ্মুৱে কয় যে, আধুনিক দেশৰ বাবে আইন-শৃংখলা অতি প্ৰয়োজনীয় আধাৰ। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, অনাগত বৰ্ষত ভাৰতে এটা নতুন শিখৰত আৰোহণৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰিছে আৰু ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়াসকল অতি সক্ৰিয় হ'ব লাগিব। তেওঁ কয় যে, যেতিয়া আইন বৰ্তি থাকে, তেতিয়া আৰ্থ-সামাজিক বিকাশ সম্ভৱ হৈ উঠে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয় যে, আইন-শৃংখলা পৰিস্থিতি অবিহনে নাগৰিকক ন্যায় প্ৰদান আৰু অধিকাৰ সুৰক্ষিত কৰাটো অৰ্থহীন হৈ পৰে।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২ অক্টোবৰত ঝাৰখণ্ডত ৮৩ হাজাৰ কোটি টকাৰো অধিক মূল্যৰ ভালেমান আঁচনিৰ আধাৰশিলা আৰু কেইবাখনো আঁচনি মুকলি কৰিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীয়ে হাজাৰীবাগত ৭৯ হাজাৰ কোটি টকাৰো অধিক ব্যয়সাপেক্ষ ধৰ্তি আবা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযান মুকলি কৰিব। এই অভিযানৰ অধীনত সমগ্ৰ দেশৰ ৫৪৯ খন জিলা আৰু দুহেজাৰ ৭৪০ টা খণ্ডৰ ৬৩ হাজাৰৰো অধিক গাঁৱৰ ৫ কোটিৰো অধিক জনজাতীয় লোকক উপকৃত কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে দুহেজাৰ ৮০০ কোটিৰো অধিক ব্যয়সাপেক্ষ ৪০ খন একলব্য বিদ্যালয় মুকলি কৰাৰ লগতে ২৫ খন একলব্য বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে এহেজাৰ ৩৬০ কোটি টকাৰ প্ৰধানমন্ত্ৰী জনজাতিআদিবাসী ন্যায় মহা অভিযানৰ অধীনত ভালেমান প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু মুকলি কৰিব। ইয়াৰ ভিতৰত পথ, অংগনৱাড়ী কেন্দ্ৰ, বহুমুখী কেন্দ্ৰ, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ নিবাস নিৰ্মাণ কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে পি এম জনমন আঁচনিৰ সাফল্যক উদযাপন কৰাৰ বাবে ৩ হাজাৰ গাঁৱৰ ৭৫ হাজাৰ ৮০০ৰো অধিক বিশেষকৈ, অতি পিচপৰা জনজাতীয় লোকৰ বাসগৃহত বৈদ্যুতিকৰণৰ আঁচনি মুকলি কৰিব। ইয়াৰ উপৰিও ২৭৫ খন ভ্ৰাম্যমান চিকিৎসা গোট, ৫০০ টা অংগনৱাড়ী কেন্দ্ৰৰ কাৰ্য্যকৰীকৰণ, ২৫০ টা বনধন বিকাশ কেন্দ্ৰ আৰু নল সে জল কাৰ্য্যসূচীৰ অধীনত অতি পিচপৰা জনজাতীয় গাঁৱৰ ৫ হাজাৰ ৫৫০ টা বাসগৃহত বিশুদ্ধ খোৱা পানীৰ সংযোগ দিয়া হ'ব।

000000000

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মুম্বাই বন্দৰৰ পৰা **ক্ৰুজ ভাৰত মিছন** মুকলি কৰে। এই অনুষ্ঠানত দপ্তৰটোৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী শান্তনু ঠাকুৰো উপস্থিত থাকে। ক্ৰুজ ভাৰত মিছনে

প্ৰমোদতৰী পৰ্যটনৰ ক্ষেত্ৰত দেশক গোলকীয় হাব হিচাপে প্ৰতিষ্ঠিত কৰা আৰু বিশ্ব মানচিত্ৰত ভাৰতক প্ৰমোদতৰী গন্তব্য স্থানৰূপে উজলাই তোলাত প্ৰভূত পৰিমাণে সহায় কৰিব বুলি আশা কৰা হৈছে। অনুষ্ঠানত শ্ৰী সোণোৱালে কয় যে, এই অভিযানৰ জৰিয়তে ২০২৯ চনৰ ভিতৰত পৰ্যটকৰ সংখ্যা দুগুণ বৃদ্ধিৰে দেশৰ প্ৰমোদতৰী পৰ্যটন উদ্যোগক বিকশাই তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। দেশৰ সামুদ্ৰিক অৰ্থনীতিৰ প্ৰচুৰ সম্ভাৱনীয়তাৰ যথোচিত প্ৰয়োগ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। আজিৰ অনুষ্ঠানত পৰ্যটন ক্ষেত্ৰৰ সৈতে জড়িত কেইবাখনো বুজাবুজিৰ চুক্তিতো স্বাক্ষৰ কৰা হয়।

000000000

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দেশ-বিদেশৰ পৰ্যটকৰ বাবে কাইলৈ মুকলি কৰা হ'ব। প্ৰথম অৱস্থাত পৰ্যটকসকলৰ বাবে কেৱল জীপ ছাফাৰীৰ ব্যৱস্থা থাকিব। কাইলৈ উদ্যোনখনৰ কাজিৰঙা বনাঞ্চল, বাগৰি বনাঞ্চল আৰু বুঢ়া পাহাৰ বনাঞ্চলৰ কিছু অংশহে পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হ'ব। বাট-পথৰ মেৰামতি তথা আন অভ্যন্তৰীণ কামসমূহ সম্পূৰ্ণ হোৱাৰ পাছতে হাতী ছাফাৰীৰ লগতে পৰ্যটকৰ বাবে অনুমোদিত সকলো অঞ্চল পৰ্যটকে ভ্ৰমণ কৰিব পাৰিব। অহা ১ নৱেম্বৰৰ পৰা পৰ্যটকসকলে হাতী ছাফাৰীৰ সুবিধা লাভ কৰিব।

ইফালে কাইলৈ ওৰাং ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্প পৰ্যটকৰ বাবে মুকলি কৰা হ'ব।

000000000

এয়াৰ মাৰ্শ্বেল অমৰপ্ৰীত সিঙে আজি নতুন দিল্লীত ভাৰতীয় বিমান বাহিনীৰ মুৰব্বী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছে। ইয়াৰ পূৰ্বে তেওঁ ২০২৩ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা ভাইচ চীফ হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছিল। এয়াৰমাৰ্শ্বেল অমৰপ্ৰীত সিঙে ১৯৮৪ চনত ভাৰতীয় বিমান বাহিনীত যুঁজাৰু পাইলট হিচাপে যোগদান কৰিছিল। ৪০ বছৰীয়া তেওঁৰ সুদীৰ্ঘ কাৰ্য্যকালত বিভিন্ন দায়িত্ব তেওঁ সুচাৰুৰূপে পালন কৰিছিল। নেচনেল ডিফেন্স একাডেমী, ডিফেন্স চাৰ্ভিচেছ ষ্টাফ কলেজ আৰু নেচনেল ডিফেন্স কলেজৰ পৰা সুকলমে উত্তীৰ্ণ হোৱা এয়াৰ মাৰ্শ্বেল অমৰপ্ৰীত সিঙে উৰণ প্ৰশিক্ষক হিচাপে বিবেচিত হোৱাৰ লগতে পৰীক্ষণ পাইলট হিচাপে ৫ হাজাৰ ঘণ্টাৰো অধিক উৰণৰ অভিজ্ঞতা অৰ্জন কৰিছে। তেওঁ ৰাষ্ট্ৰীয় বিমান পৰীক্ষণ কেন্দ্ৰৰ প্ৰকল্প সঞ্চালক হিচাপে লঘু যুঁজাৰু বিমান তেজসৰ পৰীক্ষণ কৰিছে। এয়াৰ মাৰ্শ্বেল অমৰপ্ৰীত সিং আজি কাৰ্য্যকাল শেষ হোৱা এয়াৰ চীফ মাৰ্শ্বেল ভি আৰ চৌধৰীৰ স্থলাভিষিক্ত হৈছে।

000000000

কেন্দ্ৰীয় আয়ুষ দপ্তৰৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী প্ৰতাপ ৰাও যাধৱে কৈছে যে, ভাৰতৰ স্বাস্থ্য পৰ্য্যটন কেৱল স্বাস্থ্যৰ যতনৰ প্ৰতি নহয়, ই আধ্যাত্মিক আৰু মানসিক স্বাস্থ্যতো গুৰুত্ব দিয়া হৈছে। মুম্বাইত আজি আয়ুষ চিকিৎসা মূল্য পৰ্য্যটন সন্মিলন মুকলি কৰি শ্ৰীযাধৱে আধ্যাত্মিক স্বাস্থ্য সেৱাত আয়ুষৰ পদ্ধতি আৰু পৰম্পৰাগত থেৰাপিসমূহৰ মানদণ্ডৰ ওপৰত গুৰুত্ব আৰোপ কৰি গোলকীয় স্বাস্থ্য পৰ্য্যটন খণ্ডত ই ভাৰতক এটা বিশেষ স্থান প্ৰদান কৰিছে বুলি মত প্ৰকাশ কৰিছে। তেওঁ কয় যে, প্ৰতি বছৰে কেইবাহাজাৰ বিদেশী পৰ্য্যটক আয়ুৰ্বেদিক চিকিৎসা গ্ৰহণ কৰাৰ বাবে ভাৰতলৈ আহে আৰু কেইবা দশক ধৰি ভাৰতত অব্যাহত থকা আয়ুৰ্বেদিক চিকিৎসা পদ্ধতিৰ চাহিদা বৃদ্ধি হৈছে। মহাৰাষ্ট্ৰ চৰকাৰৰ সহযোগত আয়ুষ মন্ত্ৰালয়ে এই সন্মিলনৰ আয়োজন কৰিছে।

000000000

উত্তৰাখণ্ডত আজি ভাৰত আৰু কাজাখস্তানৰ অষ্টম যুটীয়া সামৰিক অনুশীলন KAZIND-2024 অনুষ্ঠিত হৈছে। ভাৰতীয় সেনা বাহিনীৰ কুমাও ৰেজিমেণ্টৰ ১২০ গৰাকী বিষয়া-জোৱানে এই অনুশীলনত অংশগ্ৰহণ কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ৰ সূত্ৰ অনুসৰি, সন্ত্ৰাসবাদী কাৰ্য্য-কলাপ প্ৰতিহত কৰাৰ সামৰ্থ্য বৃদ্ধিৰ বাবে এই যুটীয়া অনুশীলন অনুষ্ঠিত কৰা হৈছে। মন্ত্ৰ্যালয়ে কৈছে যে, পাহাৰীয়া আৰু চহৰ অঞ্চলত অভিযান চলোৱাৰ সন্দৰ্ভতো ইয়াত অনুশীলন কৰা হ'ব। এই যুটীয়া অনুশীলনত দুয়ো পক্ষই বিভিন্ন কৌশল, প্ৰযুক্তি আৰু প্ৰক্ৰিয়া আদিৰ উপযুক্ত পদ্ধতিসমূহ আদান-প্ৰদান কৰিব।

ooooooooo

ভাৰত আৰু বাংলাদেশৰ মাজত কানপুৰৰ গ্ৰীণপাৰ্কত চলি থকা দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন টেষ্ট খেলৰ চতুৰ্থ দিনা ভাৰতে ২৮৫ ৰানত নিজৰ প্ৰথম ইনিংছ ঘোষণা কৰিছে। যোৱা দুদিনৰ খেল সম্পূৰ্ণৰূপে পৰিত্যক্ত ঘোষিত হোৱাৰ পাছত আজি বাংলাদেশে তিনি উইকেটৰ বিনিময়ত ১০৭ ৰানৰ পৰা নিজৰ প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰি ২৩৩ ৰানতে আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতে নিজৰ প্ৰথম ইনিংছত আক্ৰমণাত্মক বেটিঙেৰে ২৮৫ ৰান সংগ্ৰহ কৰি ইনিংছ ঘোষণা কৰে। চতুৰ্থ দিনৰ খেল শেষ হোৱাৰ পৰলৈকে দুটা উইকেটৰ বিনিময়ত ২৬ ৰান সংগ্ৰহ কৰিছে।

ooooooooo

সমাপ্ত